# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-08-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ভাৰতৰ অধ্যক্ষতাত ভূপালত অনুষ্ঠিত একাদশ ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ সাংস্কৃতিক মন্ত্ৰীসকলৰ বৈঠকত কালি ভূপাল ঘোষণা-পত্ৰ গ্ৰহণ কৰা হয়।

২। সমগ্ৰ দেশজুৰি হৰ ঘৰ ত্ৰিৰংগা অভিযান আজি আৰম্ভ হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভান্সৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰি দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে।

৪। প্ৰতিকূল বতৰ আৰু পথ মেৰামতিৰ বাবে পেহেলগাম আৰু বালতল পথেৰে বাৰ্ষিক অমৰনাথ যাত্ৰা আজিৰে পৰা সাময়িকভাৱে বাতিল কৰা হৈছে।

*আৰু*

৫। কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত আজি ভাৰতৰ অস্মিতা চলিহা চীনৰ কিউ হানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰতৰ অধ্যক্ষতাত ভূপালত কালি একাদশ ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ সাংস্কৃতিক মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ব্ৰীকচৰ সদস্য আৰু অংশীদাৰ ৰাষ্ট্ৰসমূহৰ মাজত সাংস্কৃতিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে ভূপাল ঘোষণা-পত্ৰ গ্ৰহণ কৰা হয়। ১০ খন ব্ৰীকচৰ সদস্য ৰাষ্ট্ৰ আৰু ৪ খন অংশীদাৰ ৰাষ্ট্ৰৰ সৈতে সৰ্বমুঠ ১৪ খন ৰাষ্ট্ৰই এই বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিনিধিসকলে সাংস্কৃতিক আৰু সৃষ্টিশীল উদ্যোগসমূহক প্ৰসাৰিত কৰাৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে শিল্পীসকলৰ বাবে অধিক সুবিধা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ব্ৰীকচ ৰাষ্ট্ৰৰ শিল্পীসকলৰ মাজত সাংস্কৃতিক আদান প্ৰদান আৰু পেছাদাৰীত্ব প্ৰসাৰৰ হেতু ভাৰতে এটা পৰীক্ষামূলক স্বেচ্ছাসেৱী শিল্পী পঞ্জীয়ন প্ৰকল্পৰ কথা ঘোষণা কৰে। বৈঠকত কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিল্পীসকলৰ অধিকাৰ আৰু প্ৰতিলিপি স্বত্তৰ ন্যায্য ব্যৱহাৰৰ বিষয়েও আলোচনা কৰা হয়।

ooooo

সমগ্ৰ দেশজুৰি হৰ ঘৰ ত্ৰিৰংগা অভিযান আজি আৰম্ভ হ'ব আৰু ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। এই পদক্ষেপৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলন তথা দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উদযাপনত অংশ লোৱাৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২২ চনত স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ অংশহিচাপে আৰম্ভ কৰা এই অভিযান সম্প্ৰতি দেশৰ সৰ্ববৃহৎ ৰাজহুৱা অংশগ্ৰহণমূলক

অভিযানলৈ পৰিণত হৈছে। এই অভিযানে সকলো নাগৰিকক ত্ৰিৰংগ পতাকাক ভাৰতৰ একতা, সন্মান আৰু সামূহিক ৰাষ্ট্ৰীয় পৰিচয়ৰ চিহ্ন হিচাপে উদযাপনৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে। অভিযানৰ অংশহিচাপে দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰম সমবেত কণ্ঠত পৰিৱেশন কৰা হ'ব।

ইপিনে, স্বাধীনতা দিৱসৰ স্মৃতি হিচাপে দেশ বিভাজনৰ সময়ৰ যাতনা আৰু স্থানান্তৰক সুঁৱৰি চৰকাৰে অহা ১৪ আগষ্টত বিভাজন বিভীষিকা সোঁৱৰণী দিৱসৰ আয়োজন কৰিছে। ইয়াৰ অংশহিচাপে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত পেৰেড, বিভাজন সম্পৰ্কীয় প্ৰদৰ্শনী, তথ্য চিত্ৰ প্ৰদৰ্শনকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। এই কাৰ্যসূচীত অংশলোৱাৰ বাবে জনসাধাৰণক আমন্ত্ৰণ  জনাই সংস্কৃতি মন্ত্ৰালয়ে সকলোকে গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ, ৰাষ্ট্ৰীয় গীত গাবলৈ আৰু সামূহিক কাৰ্যকলাপত অংশ ল'বলৈ আহ্বান জনায়। এই উপলক্ষে ২০০ৰো অধিক ভাৰতীয় দূতাৱাস, উচ্চায়ুক্ত আৰু বাণিজ্য দূতাৱাসে এলানি কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভান্সৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁলোকে বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত ভাৰত-আমেৰিকা ব্যাপক গোলকীয় কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে বাণিজ্য, প্ৰতিৰক্ষা, উন্নত প্ৰযুক্তি, শক্তি, সুৰক্ষা আৰু গুৰুত্বপূৰ্ণ খনিজ খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ দিশত থকা প্ৰতিশ্ৰুতি বদ্ধতাৰ কথা দোহাৰে। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহতো মত বিনিময় কৰে।

০০০০০

জম্মু-কাশ্মীৰত শেহতীয়াকৈ প্ৰচুৰ বৰষুণ, পথ মেৰামতি তথা অহা কিছুদিনলৈ বতৰ প্ৰতিকূল হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি পেহেলগাম আৰু বালতল পথেৰে বাৰ্ষিক অমৰনাথ যাত্ৰা আজিৰে পৰা বাতিল কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা বতৰৰ বতৰা আৰু পথৰ দুৰৱস্থাৰ পৰিপ্ৰেক্ষিত সাময়িকভাৱে যাত্ৰা বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। সুৰক্ষামূলক ব্যৱস্থা হিচাপে কালি জম্মুৰ ভাগৱতীনগৰৰ মূল শিৱিৰৰ পৰা কোনো তীৰ্থযাত্ৰীক যাত্ৰা কৰাৰ অনুমতি প্ৰদান কৰা হোৱা নাই।

ইপিনে, ২৮ সংখ্যক দলৰ এহেজাৰ ২০২ গৰাকী তীৰ্থযাত্ৰীয়ে অমৰনাথৰ পৱিত্ৰ গুহা দৰ্শন সম্পূৰ্ণ কৰিছে আৰু বালতলৰ মূল শিৱিৰত থকা তীৰ্থযাত্ৰীসকলক ৪৪ খন বাহনেৰে জম্মুৰ দিশে যাবলৈ অনুমতি দিয়া হৈছে। উভতি অহা তীৰ্থযাত্ৰীসকলৰ ভিতৰত ৮৬৭ জন পুৰুষ, ২৫১ গৰাকী মহিলা, এটি শিশু, ৭৯ গৰাকী সাধু, আৰু ৪ গৰাকী সাধ্বী আছে। কালিৰ দিনটোত ৩ হাজাৰ ৩৩৪ গৰাকী তীৰ্থযাত্ৰীয়ে গুহা দৰ্শন কৰাত চলিত বৰ্ষত এই পৱিত্ৰ গুহা দৰ্শন কৰা তীৰ্থযাত্ৰীৰ সংখ্যা ৪ লাখ ৮০ হাজাৰ ১৯ হৈছেগৈ।

০০০০০

অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১২ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কৱলত আছে। বানত ৪৬০ খন গাঁৱৰ ১ লাখ ৪৭ হাজাৰ ৩৭৪ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৫৯৯ দশমিক ৮-৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯লৈ বৃদ্ধি পাইছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি শোণিতপুৰ, নগাঁও, গোলাঘাট, শিৱসাগৰ, হোজাই, দৰং, যোৰহাট, ধেমাজি,

চৰাইদেউ, কাৰ্বি আংলং, লখিমপুৰ আৰু বিশ্বনাথ জিলাৰ বহু অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। গোলাঘাট জিলাত সৰ্বাধিক ৬১ হাজাৰ ৩৫ জন লোক বানৰ কবলত পৰিছে।

ইপিনে, শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত উজনি অসমৰ ৪ খন জিলাত আজিৰে পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হ'ব। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব।

ooooo

ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানে, ৱাশ্বিংটনে বিশ্বাসৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰিলে শেহতীয়াকৈ আমেৰিকাৰ সৈতে স্বাক্ষৰিত বুজাবুজিৰ চুক্তিৰ অধীনত তেহৰানে শান্তিৰ পথত অগ্ৰসৰ হ'ব বুলি প্ৰকাশ কৰিছে। এখন সংবাদ মেলত ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কোনো চুক্তিত উপনীত হোৱাৰ বাবে এয়া হৈছে উপযুক্ত সময়, কাৰণ দেশখনত বৰ্তমান সংহতি, ক্ষমতা আৰু ঐক্য বৰ্তি আছে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি পেজেস্কিয়ানে নিজৰ অধিকাৰ ৰক্ষাৰ বাবে আলোচনা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। তেওঁ লগতে তেহৰানে আত্মসমৰ্পন কৰিবলৈ বাধ্য নহ'ব বুলিও উল্লেখ কৰে।

ooooo

থাইলেণ্ডৰ ননথাবুৰী প্ৰদেশত শুকুৰবাৰে এখন বিদ্যালয়ত সংঘটিত গুলীচালনাৰ ঘটনাক মৃত্যু হোৱা লোকৰ সংখ্যা ৯ জনলৈ বৃদ্ধি পাইছে বুলি আজি চৰকাপী কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। জনস্বাস্থ্য মন্ত্ৰালয়ৰ উদ্ধৃতি দি প্ৰদেশখনৰ জনসংযোগ বিভাগে ফেচবুক পোষ্টত জনোৱা মতে, গুলীচালনাৰ ফলত ৯ জন লোকৰ মৃত্যু হৈছে আৰু ১৪ জন লোক এতিয়াও চিকিৎসালয়ত ভৰ্তি হৈ আছে। জানিব পৰা মতে, চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ পিছতে এগৰাকী ১২ বছৰীয়া কিশোৰীৰ মৃত্যু হয়। ভুক্তভোগী বিদ্যালয় তথা ঘটনাস্থলী দেৱশিৰিন ননথাবুৰী বিদ্যালয়ে ছ'চিয়েল মিডিয়াত ছাত্ৰজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি থাইলেণ্ড আৰক্ষীয়ে আজি বিদ্যালয়খনৰ পৰা কেইবাজনো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক মাতি আনি ১৪ বছৰীয়া বন্দুকধাৰীজনৰ উদ্দেশ্য আৰু প্ৰাণঘাটী সামগ্ৰীৰ উৎসৰ তদন্ত কৰে। থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী অনুটিন চাৰ্নভিৰাকুলে কয় যে ৰাজহুৱা স্থানত আগ্নেয়াস্ত্ৰ কঢ়িয়াই নিয়াত বাধা প্ৰদান কৰা আইন প্ৰৱৰ্তনৰ পৰিকল্পনা কৰা হৈছে।

ooooo

আজিৰ পৰা ১৭ আগষ্টলৈ সমগ্ৰ মধ্যপ্ৰদেশত জনসাধাৰণৰ অংশগ্ৰহণেৰে 'হৰ ঘৰ তিৰংগী অভিযান আৰম্ভ কৰা হৈছে।

এই উপলক্ষে ৰাজ্যখনত ত্ৰিৰংগ যাত্ৰা, তিৰংগা মেলা, প্ৰদৰ্শনী আৰু চাইকেল ৰেলীকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। তিৰংগা বাইক ৰেলী আৰু ই-বাইক ৰেলী,

মানৱীয় শৃংখলো এই অভিযানৰ অংশ হ'ব। এই অভিযানৰ যোগেদি জনসাধাৰণক ৰাষ্ট্ৰীয় পতাকা লৈ চেলফি তুলি 'হৰ ঘৰ তিৰঙা' পৰ্টেলত আপলোড কৰিবলৈ উৎসাহিত কৰা হ'ব। উৎসাহ আৰু দেশপ্ৰেমেৰে এই অভিযানত যোগদান কৰিবলৈ সকলো নাগ্যগৰিককে ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কালি আবিজানত ক'ট ডি আইভৰিৰ ৰাষ্ট্ৰপতি আলাছানে অউয়াটাৰাক সাক্ষাৎ কৰে। তেওঁ ভাৰত আৰু কোট ডি আইভৰিৰ বিভিন্ন ক্ষেত্ৰত অংশীদাৰিত্বৰ বিষয়ে আলোচনা কৰে আৰু আফ্ৰিকাৰ সৈতে ভাৰতৰ শক্তিশালী আৰু গভীৰ সংযোগৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দৃষ্টিভংগীক আগুৱাই নিয়াৰ বাবে সংকল্প গ্ৰহণ কৰে। সামাজিৰক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীসিঙে ভাৰত আৰু কোট ডি আইভৰিৰ দীৰ্ঘদিনীয়া বন্ধুত্বক আৰু অধিক শক্তিশালী কৰাৰ বাবে আৰু বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণৰ বাবে আগ্ৰহী বুলি মত প্ৰকাশ কৰে।

00000

চীনৰ হেফেইত অনুষ্ঠিত নৱম ৱৰ্ল্ড ব্ৰীজ ফেডাৰেচন ইউথ ট্ৰেন্সনেচনেল চেম্পিয়নশ্বিপত ৩১ বছৰ অনুৰ্ধৰ শাখাত ভাৰতীয় যুটী ছাগনিক ৰয় আৰু সায়ন্তন কুছাৰীয়ে সোণৰ পদক লাভ কৰিছে। প্ৰথম এলিমিনেচন ৰাউণ্ডত ৩৪টা যুটিয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল যদিও ৰ্ষ ভাৰতীয় যুটিকে ধৰি ১৪টা দলে ফ্লাইট এ পৰ্যায়লৈ আগবাঢ়ি যায়। ইয়াৰ পিছত তেওঁলোকে ৰাউণ্ড ৰবিন ফৰ্মেটত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ভাৰতৰ হৈ ছাগনিক আৰু সায়ন্তনে ৩৭৭.৬৭ পইণ্ট লাভ কৰি শীৰ্ষস্থান দখল কৰে। ক্ৰ'ৱেচিয়াৰ এম ফেৰেনেকা আৰু এফ কাটুচিচে ৩৫৭.৭৮ পইন্ট লাভেৰে দ্বিতীয় স্থান লাভ কৰে। চীনৰ জে হান আৰু জেড ৱাঙে ৩৩৫.৯২ লাভেৰে প্ৰতিযোগীতাত তৃতীয় স্থান দখল কৰে।

00000

দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগল্‌ছৰ ফাইনেলত আজি ভাৰতৰ অস্মিতা চলিহা চীনৰ কিউ হানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। অস্মিতাই কালি ছেমি ফাইনেলত ভাৰতৰে ৰক্ষিতা ৰামৰাজক ২১-১৩, ১৬-২১,

২১-১৩ গেমত পৰাস্ত কৰে। ইপিনে, কিউ হানে ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ জি কীমক ২২-২০, ১৮-২১, ২১-১৪ গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

**সমাপ্ত**